১১ জুন, ২০২২ (নিয়মীয়া বাৰ্তা) 7|৭

# অসম চুক্তি

# প্ৰত্যয় আৰু সংশয়

☐ ডঃ ইন্দ্ৰজিৎ কলিতা



**১৯৮৫** চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তি ৰূপায়ণৰ প্ৰসংগটোৱে বিভিন্ন মহলত নানা ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া সৃষ্টি কৰি আহিছে। ৰাজনৈতিক দলসমূহে নিৰ্বাচনী ইস্তাহাৰত অসম চুক্তিক অন্যতম আহিলা হিচাপে লৈ জনগণৰ মাজত তাৰ ৰূপায়ণক লৈ প্ৰত্যয় সঞ্চাৰ কৰি ঈপ্সিত লক্ষ্যত উপনীত হৈছে। আনকি চুক্তিখন স্বাক্ষৰিত হোৱাৰ সন্ধিক্ষণত ৰাজ্যৰ ৰাজনীতিত অভিষেক হোৱা অসম গণ পৰিষদ (অগপ)ই দুবাৰকৈ (১৯৮৫-১৯৮৯, ১৯৯৬-২০০১) চৰকাৰ গঠন কৰাৰ পিছতো বিদেশী চিনাক্তকৰণ আৰু বিতাড়ন প্ৰক্ৰিয়াক বাস্তৱায়িত কৰিব নোৱাৰিলে। পৰৱৰ্তী সময়ছোৱাত জাতীয় কংগ্ৰেছ দলৰ দীঘলীয়া পৰিক্ৰমা আৰু 'পৰিৱৰ্তন'ক মূল অস্ত্ৰ হিচাপে লৈ ৰাজ্যৰ আকাশ- বতাহ কঁপাই তোলা ভাৰতীয় জনতা পাৰ্টী (বিজেপি)ৰ নিৰংকুশ অভিযানত চুক্তিখনৰ ৰূপায়ণৰ বিষয়টোৱে কিমান প্ৰাধান্য পাইছে, সেয়া অতিকৈ চিন্তনীয়। দৰাচলতে জাতীয় দলবোৰৰ ৰাজনৈতিক সমীকৰণ সৰ্বভাৰতীয় ধ্যান-ধাৰণাৰে পুষ্ট হৈ থকা বাবে ৰাজ্যিক তথা আঞ্চলিক স্বাৰ্থ-বিজড়িত বিষয়বস্তুৱে সমুচিত অগ্ৰাধিকাৰ পোৱাৰ প্ৰসংগটো সন্দেহৰ আৱৰ্তত। অকল জাতীয় দলৰ ক্ষেত্ৰতে নহয়; বৰং তথাকথিত আঞ্চলিক দলবো চুক্তিখনৰ আশু ৰূপায়ণত যথোচিত ৰাজনৈতিক সদিচ্ছা আৰু তৎপৰতাৰ অভাৱ পৰিলক্ষিত হৈছে।

কোৱা বাহুল্য যে ঐতিহাসিক অসম আন্দোলনৰ (১৯৭৯-৮৫) প্ৰেক্ষাপটত স্বাক্ষৰিত অসম চুক্তিৰ মন্ত্ৰই হৈছে বিদেশী মূলৰ নাগৰিকক চিনাক্তকৰণ আৰু বহিষ্কাৰৰ দ্বাৰা থলুৱা জাতি-জনগোষ্ঠীৰ স্বকীয় পৰিচয় অক্ষুণ্ণ ৰখাৰ লগতে তেওঁলোকৰ ভাষা-সংস্কৃতিক বিপদাপন্ন হোৱাৰ পৰা ৰক্ষা কৰা। বিদেশী নাগৰিকৰ, বিশেষকৈ বাংলাদেশৰ পৰা হোৱা অবৈধ অনুপ্ৰৱেশে ৰাজ্যৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু জনসংখ্যা গাঁথনিত যি নেতিবাচক প্ৰভাৱ পেলাইছে তাক মষীমূৰ কৰাত অসম চুক্তিৰ কঠোৰ স্থিতি শলাগিবলগীয়া। অবাধ অনুপ্ৰৱেশে এনে এক পৰ্যায় চুইছেহি যে ৰাজ্যৰ কেইখনমান সীমামূৰীয়া জিলাত স্থানীয় লোকসকল সংখ্যালঘু হিচাপেহে বসবাস কৰি আছে। আনহাতে অবৈধ অনুপ্ৰৱেশকাৰীসকলে বৈধ নাগৰিকত্বৰ বাট প্ৰশস্ত কৰাৰ বাবে বিভিন্ন ধৰণৰ প্ৰমাণ-পত্ৰৰ যোগেদি ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰখনত নিজা স্থিতি অটুট ৰাখিবলৈ সক্ষম হৈছে। অদূৰ ভৱিষ্যতত বিদেশী মূলৰ নাগৰিকৰ বিজয় যাত্ৰা অধিক হাৰত প্ৰতিপন্ন হোৱাৰ অৱকাশ আছে।

অৱশ্যে অসম চুক্তি ৰূপায়ণৰ দ্বাৰা থলুৱা মানুহখিনিৰ মৰ্যাদা আৰু পৰিচয় ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষৰ প্ৰচেষ্টাক সমূলি নস্যাৎ কৰিব নোৱাৰি। সাম্প্ৰতিক তিনিজন কেবিনেট মন্ত্ৰী আৰু পাঁচজন সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ সদস্যক লৈ গঠন হোৱা কমিটীখনে অসম চুক্তিৰ ৰূপায়ণৰ প্ৰসংগত আশাব্যঞ্জক ফলাফল আনিব বুলি ভবা হৈছে। অসম চুক্তিৰ দিশ চালি-জাৰি চাই বৰ্তমানৰ সামাজিক-ৰাজনৈতিক প্ৰেক্ষাপটত তাৰ আশু ৰূপায়ণত কমিটীখনৰ কৰণীয় বহুখিনি আছে আৰু এইক্ষেত্ৰত কিমানদূৰ সফল হয় সেয়া সময়েহে ক'ব। কিন্তু এই কথা প্ৰতীয়মান যে আছুৰ বিষয়ববীয়া আৰু কেবিনেট মন্ত্ৰী অথবা চৰকাৰৰ মাজত মতাদৰ্শৰ পাৰ্থক্য আছে। নাগৰিকত্ব (সংশোধনী) আইন (চমুকৈ 'কা')ক কেন্দ্ৰ কৰি চলি থকা বিতৰ্ক অসম চুক্তিৰ ৰূপায়ণৰ সন্দৰ্ভত গঠন হোৱা কমিটীখনকো প্ৰভাৱিত কৰিছে। ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা প্ৰব্ৰজিত হোৱা হিন্দু, জৈন, বৌদ্ধ, শিখ, খ্ৰীষ্টান আৰু পাৰ্চী লোকসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰাৰ বাবে 'কা'ৰ আলমত চৰকাৰে দেখুওৱা মানসিকতা অসম চুক্তিৰ পৰিপন্থী আৰু ধৰ্মনিৰপেক্ষ সমাজ ব্যৱস্থাৰ বৰখিলাপ। যিহেতু আছুৱে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অহা সকলো বিদেশী মূলৰ লোকক চিনাক্তকৰণ আৰু বিতাড়নৰ দ্বাৰা থলুৱাক ৰক্ষাকৱচ পৰিধান কৰাব বিচাৰে; সেয়ে চৰকাৰৰ আশীৰ্বাদপুষ্ট 'কা'ৰ বিৰুদ্ধাচৰণ কৰাটো অতিকৈ স্বাভাৱিক। দৰাচলতে ধৰ্মৰ আধাৰত নাগৰিকত্ব প্ৰদান কৰাৰ কুচকাৱাজ অগণতান্ত্ৰিক আৰু জাতীয় তথা ধৰ্মীয় ভিন্নতাৰ

**স্বীকাৰ্য** যে বিদেশী মূলৰ নাগৰিকৰ বোজা অসমে বহুদিনৰ পৰা কঢ়িয়াই আছে, যাৰ ফলত আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ধাৰণাতীত প্ৰভাৱ বিস্তাৰ কৰি থলুৱা লোকসকলক অস্তিত্ব আৰু পৰিচয় সন্দৰ্ভত সন্দিহান কৰি

স্বীকাৰ্য যে বিদেশী মূলৰ নাগৰিকৰ বোজা অসমে বহুদিনৰ পৰা কঢ়িয়াই আছে, যাৰ ফলত আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ধাৰণাতীত প্ৰভাৱ বিস্তাৰ কৰি থলুৱা লোকসকলক অস্তিত্ব আৰু পৰিচয় সন্দৰ্ভত সন্দিহান কৰি তুলিছে। তেনেস্থলত ওপৰঞ্চি বিদেশী মূলৰ মানুহক নাগৰিকত্ব প্ৰদান কৰাৰ বিষয়টো অতিকৈ চিন্তনীয় আৰু হঠকাৰী সিদ্ধান্ত। কেইবাখনো উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য, বড়োলেণ্ড প্ৰদেশীয় অঞ্চল (বি টি আৰ) আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলক বাদ দি অকল অসমৰ ওপৰত বিদেশী নাগৰিকত্বৰ বিষয়টো জাপি দিয়াত অসম চুক্তিৰ স্বৰূপ বিনষ্ট হোৱাৰ লগতে জনসংখ্যাৰ আন্তঃগাঁথনিত অভূতপূৰ্ব প্ৰভাৱ পৰাৰ আশংকা আছে। তদুপৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) উন্নীতকৰণ প্ৰক্ৰিয়াটোও ভেঁকো-ভাওনা বুলি বিবেচিত হ'ব, যদিহে বিদেশী নাগৰিকত্বৰ বিষয়টোক অগ্ৰাধিকাৰ দি তাৰ আশু ৰূপায়ণ কৰা হয়।

তুলিছে। তেনেস্থলত ওপৰঞ্চি বিদেশী মূলৰ মানুহক নাগৰিকত্ব প্ৰদান কৰাৰ বিষয়টো অতিকৈ চিন্তনীয় আৰু হঠকাৰী সিদ্ধান্ত। কেইবাখনো উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য, বড়োলেণ্ড প্ৰদেশীয় অঞ্চল (বি টি আৰ) আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলক বাদ দি অকল অসমৰ ওপৰত বিদেশী নাগৰিকত্বৰ বিষয়টো জাপি দিয়াত অসম চুক্তিৰ স্বৰূপ বিনষ্ট হোৱাৰ লগতে জনসংখ্যাৰ আন্তঃগাঁথনিত অভূতপূৰ্ব প্ৰভাৱ পৰাৰ আশংকা আছে...

নাগৰিকত্ব (সংশোধনী) আইনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্ক আৰু বিৰোধ দৰাচলতে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত মূৰ দাঙি উঠা অন্তৰায়ৰ ভিতৰত অন্যতম। আছুৰ শক্তিশালী নেতৃত্বত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন দল-সংগঠন আৰু নাগৰিক সমাজে দেখুওৱা বিৰোধ প্ৰশাসনৰ দৃষ্টিত অগ্ৰহণীয় যদিও অঞ্চলটোত খিলঞ্জীয়াৰ স্বাৰ্থ ৰক্ষাৰ খাতিৰত তাৰ প্ৰয়োজন আছে বুলি অনুভৱ হয়। যিহেতু অঞ্চলটো, বিশেষকৈ অসম বিদেশী সমস্যাৰে জৰ্জৰিত, তেনেস্থলত অতিৰিক্ত বিদেশী মূলৰ নাগৰিকৰ বোজা বহন কৰাটো অকল্পনীয়, ধাৰণাতীত। সেয়ে দল-সংগঠন আৰু বৃহত্তৰ নাগৰিক সমাজৰ স্বতঃস্ফূৰ্ত বিৰোধ অতিকৈ স্বাভাৱিক। আছুকে ধৰি অসম জাতীয় পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি, ৰাইজৰ দল, উত্তৰ পূৰ্বাঞ্চলৰ ছাত্ৰ সংগঠন আদিৰ উমৈহতীয়া বিৰোধিতাই এই কথাই সাব্যস্ত কৰিছে যে খিলঞ্জীয়াৰ একক পৰিচয় নিৰ্মাণত তেওঁলোক সদা সচেতন। অৱশ্যে যোৱা দুটা বৰ্ষত ক'ভিডৰ কাৰণে আন্দোলন আৰু বিৰোধ কিছু পৰিমাণে স্থবিৰ হৈ পৰিছে। কিন্তু তাৰ শিপা এতিয়ালৈকে নিৰ্মূল হোৱা নাই। বৰ্তমানৰ ক'ভিড পৰিস্থিতিৰ শিথিলতাৰ সুযোগ লৈ নাগৰিকত্ব (সংশোধনী) আইনবিৰোধী আন্দোলন পুনৰ শক্তিশালী ৰূপত প্ৰতিভাত হোৱাৰ পূৰ্ণ অৱকাশ আছে; বিশেষকৈ পঞ্জাবৰ বিতৰ্কিত কৃষি আইনক কেন্দ্ৰীয় চৰকাৰে উঠাই লোৱা পৰিঘটনাই আন্দোলনমুখী মানসিকতাক সবল কৰাৰ যথেষ্ট থল আছে।

চৰকাৰ আৰু আছুৰ নেতৃবৃন্দৰ মাজত নাগৰিকত্ব (সংশোধনী) আইনক লৈ চলি থকা বিতৰ্ক আৰু বিৰোধিতাই অসম চুক্তি ৰূপায়ণৰ প্ৰসংগত ডাঙৰ সংশয় সৃষ্টি কৰিছে। লক্ষণীয়ভাৱে আছুৱে চুক্তিখনৰ ষষ্ঠ দফা (Sixth Schedule)ক লৈ প্ৰদৰ্শন কৰা আঁকোৰগোজ স্থিতিয়ে সুস্থ বাতাৱৰণ সৃষ্টি কৰাত প্ৰতিবন্ধকৰূপে থিয় দিছে। যিহেতু ষষ্ঠ দফা বৃহত্তৰ 'অসমীয়া'ৰ সাংবিধানিক ৰক্ষাকবচ ধাৰণ কৰাৰ বাবে দৃঢ়প্ৰতিজ্ঞ আৰু ঐতিহাসিক অসম আন্দোলনৰ পিছৰে পৰা পৃথক জাতীয় অথবা জনগোষ্ঠীয় চেতনা ঠন ধৰি উঠাত 'অসমীয়া'ৰ সঠিক সংজ্ঞা নিৰূপণত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে, সেয়ে ষষ্ঠ দফাক সম্পূৰ্ণ ৰূপত কাৰ্যকৰী কৰি 'অসম চুক্তি'ক ৰূপায়ণ কৰাটো ইমান সহজ নহয়। দৰাচলতে বিভিন্ন জাতি-জনগোষ্ঠীৰ স্বকীয় আৰু একক পৰিচয় স্থাপন কৰাৰ মানসিকতা আৰু সংযোজন প্ৰক্ৰিয়াৰ ওপৰত বাঢ়ি অহা আস্থাহীনতাৰ পৰিপ্ৰেক্ষিতত 'অসমীয়া'ৰ সামগ্ৰিক অথবা উমৈহতীয়া স্বৰূপ নিৰ্ধাৰণত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। অৱশ্যে বিভেদকামী, বিচ্ছিন্নতাকামী মানসিকতাত তথাকথিত মূলসুঁতিৰ সমাজ ব্যৱস্থাৰ কেৰোণ নথকা নহয়। মুঠতে পৃথকীকৰণৰ যোগেদি আত্মপ্ৰতিষ্ঠাৰ অমোঘ বাসনাই বৃহত্তৰ 'অসমীয়া'ৰ পৰিচয় নিৰ্মাণত অভেদ্য অন্তৰায় হিচাপে থিয় দিছে।

সকলো কথা চালি-জাৰি এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে অসম চুক্তি ৰূপায়ণৰ প্ৰসংগটো সংশয়ৰ আৱৰ্তত। সেই বুলি চুক্তিখনৰ প্ৰাসংগিকতাক নস্যাৎ কৰাটো কোনোপধ্যেই যুক্তিসংগত নহয়। ঐতিহাসিক অসম আন্দোলনৰ মতাদৰ্শ, আন্দোলনৰ নামত কৰা সৰ্বস্ব ত্যাগ আৰু বলিদানৰ স্বীকাৰোক্তিৰে চুক্তিখনৰ আশু ৰূপায়ণ আমাৰ সকলোৰে কাম্য। কিন্তু সাম্প্ৰতিক চুক্তিখনৰ ৰূপায়ণৰ স্বাৰ্থত কেবিনেট মন্ত্ৰী আৰু আছুৰ সদস্যৰ মাজত থকা মতাদৰ্শ আৰু দৃষ্টিভংগীৰ পাৰ্থক্যই সমাধান প্ৰক্ৰিয়াৰ উপযোগী বাতাৱৰণ গঢ়ি উঠাত বাধা আৰোপ কৰিছে। যদিও চুক্তিখনৰ বাট প্ৰশস্ত হোৱাত আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব, তথাপি ৰাজ্যখনৰ কিছুমান অপৰিহাৰ্য বিষয়— যেনে থলুৱা লোকৰ ভূমি অধিকাৰ সুনিশ্চিতকৰণ, দেশীয় ভাষা সংস্কৃতিৰ ৰক্ষণাবেক্ষণ, বান আৰু ভূমিস্খলনৰ স্থায়ী সমাধান, আন্তঃসীমা অনুমতি পত্ৰ প্ৰৱৰ্তন, প্ৰস্তাৱিত দুখন বৈদেশিক বিচাৰালয়ৰ সমুচিত ব্যৱস্থাপনা, আন্তঃৰাষ্ট্ৰীয় সীমাৰ পূৰ্ণ নিৰ্ধাৰণ আৰু ৰক্ষণাবেক্ষণ, নিবনুৱা সমস্যাৰ সমাধান আদিৰ উচিত মূল্যায়ন আৰু কাৰ্যকৰীকৰণৰ যোগেদি চুক্তিখনৰ ঈপ্সিত লক্ষ্যই কিছু পৰিমাণে হ'লেও ইতিবাচক সঁহাৰি লাভ কৰিব।

লেখক গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ
ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক
ফোন ঃ ৭০০২৫-৯৩৪৭২